জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৭৪/২০২২**

**ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মজয়ন্তীত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ড° ভূপেন হাজৰিকাৰ জীৱন অসমবাসীৰ বাবে প্ৰেৰণা আৰু আদৰ্শৰ এক মূৰ্ত প্ৰতীক ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৮ ছেপ্টেম্বৰ ঃ** ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আজি ৯৬ সংখ্যক জন্মজয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহান শিল্পীগৰাকীৰ গুৱাহাটীৰ জালুকবাৰীস্থিত সমাধিক্ষেত্ৰলৈ গৈ পুষ্পাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ যে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ড° ভূপেন হাজৰিকা সমাধিক্ষেত্ৰত আজি শিল্পীগৰাকীৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰিছিল।

বৰেণ্য শিল্পীগৰাকীলৈ শ্ৰদ্ধা তৰ্পণৰ পিছত সমাধিক্ষেত্ৰৰ চৌহদতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ড° ভূপেন হাজৰিকাৰ জীৱন অসমবাসীৰ বাবে প্ৰেৰণা আৰু আদৰ্শৰ এক মূৰ্ত প্ৰতীক। তেওঁ কয় যে নৱ প্ৰজন্মৰ মাজত ভূপেন হাজৰিকা সদায়ে এক প্ৰৱাহমান সুঁতিৰ দৰে বৈ থাকিব। ড° ভূপেন হাজৰিকাৰ জীৱন আৰু আদৰ্শই জাতিটোক সদায়ে একত্ৰিত কৰি ৰাখিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক মানৱ ডেকা, ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**৮/০৯/২০২২**